অসম চৰকাৰ

# উপায়ুক্তৰ কাৰ্য্যালয় ::::::: ধুবুৰী জিলা ::::::: ধুবুৰী

(ভূমি ৰাজহ শাখা)

## <u>বিজ্ঞাপন</u>

ইয়াৰ দ্বাৰা জনোৱা যায় যে ধুবুৰী জিলাৰ অন্তৰ্গত ৰাজহ চক্ৰ সমূহৰ ৪০৩ টা গাওঁবুঢ়া লটৰ বিপৰীতে থকা গাওঁবুঢ়া পদ খালী আছে। গতিকে উক্ত খালী পদসমূহ পূৰণৰ বাবে অসম চৰকাৰৰ ১০-০৪-২০১৮ ইং তাৰিখৰ RLR.187/2007/39 নং অধিসুচনা আৰু ০৫-০৫-২০১৮ ইং তাৰিখৰ RLR.187/2007/Pt-I/40 নং বাৰ্তা মৰ্মে সংশ্লিষ্ট গাৱঁৰ ইচ্ছুক ভাৰতীয় নাগৰিক প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। আবেদন সমূহ Standard Form as published in Assam Gazette in Part IX ৰ যোগেদি জমা দিব লাগিব। ওপৰত উল্লেখ কৰা ৪০৩ টা গাওঁবুঢ়া লট সমূহৰ তালিকা সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ জাননী ফলকত দিয়া হব।

**<u>ৰাজহ চক্ৰ ভিত্তিত গাওঁবুঢ়া লটৰ সংখ্যা তলত উল্লেখ কৰা হল-</u>**

| | | | | | |
|---|---|---|---|---|---|
| ধুবুৰী ৰাজহ চক্ৰ | - | ৪৭ টা | গৌৰীপুৰ ৰাজহ চক্ৰ | - | ৩১ টা |
| গোলকগঞ্জ ৰাজহ চক্ৰ | - | ৫১ টা | আগমনি ৰাজহ চক্ৰ | - | ৫৫ টা |
| বিলাসীপাৰা ৰাজহ চক্ৰ | - | ৬৫ টা | আঠানী ৰাজহ চক্ৰ | - | ৪৬ টা |
| চাপৰ ৰাজহ চক্ৰ | - | ৫০ টা | দক্ষিন শালমাৰা ৰাজহ চক্ৰ | - | ৫৮ টা |

**<u>আবেদনকাৰীয়ে তলত উল্লেখ কৰা নুন্যতম অৰ্হতা থাকিব লাগিবঃ</u>**

**<u>নুন্যতম অৰ্হতা সমূহ-</u>**

১) আবেদনকাৰী ভাৰতীয় নাগৰিক হব লাগিব আৰু লগতে আবেদনকাৰীয়ে গাওঁবুঢ়া নিযুক্তিৰ বাবে আবেদন কৰা গাৱঁৰ স্থায়ী বাসিন্দা হব লাগিব ।

২) আবেদনকাৰীৰ বয়স ০১-০১-২০১৮ ইং তাৰিখত ৩৫ বছৰৰ কম হব নালাগিব। শিক্ষাগত অৰ্হতা অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত মাধ্যমিক শিক্ষা পৰিষদ বা শিক্ষা অনুষ্ঠানৰ পৰা দশম শ্ৰেণী উত্তীৰ্ণ হোৱা হব লাগিব।

৩) আবেদনকাৰী শাৰিৰীক আৰু মানসিক ভাবে সমৰ্থ হব লাগিব।

৪) আবেদনকাৰী কোনা চৰকাৰী প্ৰতিষ্ঠান/বেংক আদিত ঋণ থকা হব নালাগিব।

৫) মৃত বা প্ৰক্তন গাওঁবুঢ়াৰ পৰিয়ালৰ লোকক অগ্ৰাধিকাৰ দিয়া হব।

৬) আবেদনকাৰী চৰকাৰী চাকৰিয়াল হব নালাগিব।

৭) আবেদনকাৰীয়ে গাওঁবুঢ়া নিযুক্তিৰ বাবে আবেদন কৰা গাৱঁত তেওঁৰ নামত মাটি/স্থাৱৰ সম্পত্তি থাকিব লাগিব।

৮) আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হব নালাগিব।

৯) আবেদনকাৰীয়ে গাওঁবুঢ়া নিযুক্তিৰ বাবে আবেদন কৰা গাৱঁৰ এজন মুখিয়াল লোক হব লাগিব আৰু লগতে উচ্চ মৰ্য্যদাসম্পন্ন ব্যক্তি হব লাগিব।

১০) আবেদনকাৰীয়ে চৰকাৰী আচনি ৰূপায়ন ও প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সক্ৰিয়ভাবে সহায় কৰা লোক হব লাগিব।

**<u>পাৰিশ্ৰমিকঃ</u>** প্ৰতি মাহে ৬৫০০.০০ টকা

**<u>কাৰ্য্যকালঃ</u>** নিযুক্তিপ্ৰাপ্ত গাওঁবুঢ়াজন তেওঁৰ শাৰীৰিক আৰু মানসিক সুস্থতা থকা লৈকে তেওঁৰ কৰ্তব্য আৰু দায়িত্ব পালন কৰি থাকিব পাৰিব। চৰকাৰী অধিসুচনাৰ 162-A নিৰ্দেশ মতে জিলা উপায়ুক্তই নিযুক্তিপ্ৰাপ্ত গাওঁবুঢ়াজনক যিকোনো সময়ত বৰ্খাস্ত কৰিব পাৰে।

**<u>আবেদনকাৰীয়ে তলত উল্লেখ কৰা আবেদনৰ লগত অৰ্হতাৰ প্ৰমান পত্ৰ সংলগ্ন কৰিব লাগিবঃ</u>**

১) ১৯৭১ চনৰ আগৰ ভোটাৰ তালিকাৰ প্ৰত্যায়িত কপি জমা দিব লাগিব আৰু সংশ্লিষ্ট চক্ৰ বিষয়াৰ পৰা পোৱা গাওঁ/এলেকাৰ বাসিন্দাৰ প্ৰমান পত্ৰ দাখিল কৰিব লাগিব।

২) বয়সৰ প্ৰমাণ হিচাপে জন্মৰ প্ৰমাণ পত্ৰ/ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰৱেশ পত্ৰ (Admit Card) দিব লাগিব।

৩) দশম শ্ৰেণীৰ উত্তীৰ্নৰ প্ৰমাণ পত্ৰ লগতে মাৰ্কশ্বিট দিব লাগিব।

৪) আবেদনকাৰীয়ে গাওঁবুঢ়া নিযুক্তিৰ বাবে আবেদন কৰা গাৱঁৰ মাটি থকাৰ প্ৰমাণ পত্ৰ/ অন্যান্য স্থাৱৰ সম্পত্তিৰ প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব।

৫) আবেদনকাৰী কোনা চৰকাৰী প্ৰতিষ্ঠান/বেংক আদিত ঋণ থকা হব নালাগিব । এই সন্দৰ্ভত সংশ্লিষ্ট কতৃপক্ষে দিয়া প্ৰমান পত্ৰ (Bakijai Clearance Certificate) দাখিল কৰিব লাগিব।

৬) আবেদনকাৰীয়ে আবেদন কৰা গাৱঁ/এলেকাৰ চলিত বৰ্ষৰ খাজনা ৰছিদ/ অন্যান্য স্থাৱৰ সম্পত্তিৰ কৰ পৰিশোধৰ ৰছিদ জমা দিব লাগিব।

ক্ৰমশঃ